শ্ৰীশ্ৰী

# বেজবৰবৰুৱাৰ

## গীত

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

শ্ৰী

মনাই ব'ৰাগী

বিৰচিত

ভনোতা

ডেকাফ

কলিকতা

প্ৰথম তাঙৰণ

১৯৩৯ খ্ৰী

GOVERNMENT OF ASS
Call No.............
DISTRICT LIBRARY.

# সূচী


| বিষয় | পৃষ্ঠা |
| --- | --- |
| সূত্রধারীর শরাই | ৩ |
| স্মৃতি-রক্ষা | ৫ |
| আঁতি-শুদ্ধি | ৭ |
| প্রস্তাবনা | ২৭ |
| বন্দনা | ২৯ |
| প্রথম আধ্যা | ৩২ |
| দ্বিতীয় আধ্যা | ৪৩ |
| তৃতীয় আধ্যা | ৫৩ |
| চতুর্থ আধ্যা | ৫৭ |
| পঞ্চম আধ্যা | ৭৩ |
| টীকা | ৮৮ |

# সূত্ৰধাৰীৰ শৰাই

"

কপালৰ ভাগ
পাইছোঁ বাইজক ইয়াতে লাগ।
লাই কুমলীয়া গৰুৱে খায়
লফা কুমলীয়া বেবোঁ;
বেজবৰবৰুৱাৰ পদ গাই শুনালে
জাননি হলেহে এৰোঁ।
বাইজৰ গুচক পাপ,
তাকৰকেও দিয়ক চাৰি অনাৰ বান।
আই মোৰ অসমী পাৰ্থনা কৰিলোঁ
তোমাতে ৰহোক চিত,
দেউতা ডাঙৰীয়াই দিয়ক পাঁচে-মহা
সাধোঁহঁক ভকতৰ হিত।

"




# স্মৃতি-ৰক্ষা

আজিৰ খন অসমত দেশৰ সেৱাত দেহা পেলাঁওতা বীৰ আৰু সন্তসকলৰ স্মৃতি জীয়াই ৰখা কৰ্ত্তব্যটো শৰাধৰ দিনা ৰাজহুৱা সভা-সমিতি পাতি গহীন আৰু গধূৰ বক্তৃতা আৰু প্ৰস্তাৱ কৰাৰ লগতে অন্ত পৰে।

অসমীয়া সাহিত্যৰ ভেটিত শিল বন্ধাওতা বেজ-বৰুৱা-কৃপাবৰ-লক্ষ্মীনাথৰ স্মৃতি ৰক্ষাৰ অৰ্থে বহুমূলীয়া ৰগা-শিলৰ মূৰ্ত্তি থাপিবৰ শকতি আৰু সংস্থান আমাৰ নাই ; কিন্তু চিৰ-চেনেহী-ভাষা-জননীৰ চৰণত তেওঁৰ অতি মৰমৰ গুণী পুত্ৰ স্বৰ্গীয় সাহিত্য-সম্ৰাট লক্ষ্মীনাথ বেজবৰুৱাৰ নামে বছৰি অন্ততঃ এখনকৈয়ো নতুন সজ-পুথি আগ বঢ়াম বুলি হেন আমি মৰসাহকৈ মন বান্ধিলোঁ। তাৰে চিন স্বৰূপে তেখেতৰ ন-মহীয়া

শৰাধৰ ছেং'ৰ লৈ এই "বেজবৰবৰুৱাৰ গীত" খনি প্ৰথম পুথি স্বৰূপে ৰাইজলৈ আগ বঢ়ালোঁ। ইয়াৰ পিছত 'ওলাব লগিয়া খনদিয়েকেও গঢ় লৈ ছপা-শালত ৰৈ আছে। এতিয়া সদাশয় ৰাইজে মুকলিমনেৰে ধন-পানী এচলু ছটিয়াই পঠিয়ালেই গতি পাই মুকলি হব পাৰিব। আমাৰ কথা আৰু কাৰ্য্যলৈ চাই স্মৃতি ৰক্ষাৰ অৰ্থে অৰিহণা বুলি নেৰে যি পঠিয়াই যথাসময়ত যথা-নিয়মে নতুন "বাঁহীৰ" পিঠিত তাৰ লেখ দিয়া হব। ইতি—

বিনীত



প্ৰকাশক,

"বাঁহী" পাব্লিছিং হাউছ,

১১৪।ছি লোৱাৰ ৰেঞ্জ।

পোঃ আঃ পাৰ্ক ছাৰ্কাছ, কলিকতা।

শ্রীশ্রী

# বেজবৰুৱাৰ

## গীতৰ

## আঁতি গুৰি

আজি ভালেমান দিনৰে পৰা চিন-ছাব নাম-গাম নোহোৱা, মোৰে সমনীয়া অসমীয়া বীণ-ব'ৰাগী ভকত এজনে সময়ে অসময়ে থলে-অথলে মোক তুই এপদ অসমীয়া বনগীত-বিননি গাই শুনাইছি।

ময়ো, তুগুনী দেশৰ এই আপুৰুগীয়া বস্তুফেৰিত সোৱাদ পাওঁ গুণেই হবলা, তেওঁক হকা-বধা নকৰি তেওঁৰ সেই লাগ-বান্ধ নথকা গাৱঁলীয়া গীতৰ সোঁতত মোৰ নগৰীয়া গা-মন হেলাৰাঙে উটুৱাই দিওঁ।

কিয় জানো,—ক'ব নোৱাৰো ভকত জন আতৰি গলে মেয়ো কেতিয়াবা মন গলে আজৰি চাই তেওঁৰ সেই সুৰ'দি গীতৰ দুই এফাকি মনতে সুঁৱৰি লৈ তুলাপাত এডুখৰিত টুকি থৈ দিওঁ।

এই কথাষাৰকে কিবা স্বৰূপে গম পায়েই হ'বলা নে কি, লাহে লাহে সেই ব'ৰাগী ভকত জনে মোৰ লগ এৰিবই নোখোজা যেন হ'ল। শেহত এনেহে হ'লগৈ যে খাৱনে-শোৱনে, উঠনে-বহনে, তেওঁৰ গীতৰ জাউৰিয়ে মোৰ হিয়া উচাটন কৈ তুলিবলৈ ধৰিলে।

এদিন কথাৰ ছেগ চাই মই সেই ব'ৰাগী জনক সুধিলোঁ:—"হয়নে ভকত! তোমাৰ ঘৰ ক'ত? তোমাৰ নাম কি? এই গীত-মাত বোৰ তুমি শিকিলা ক'ত? শিকালে কোনে? কাহানি শিকিলা?"

মোৰ প্ৰশ্নবিলাকৰ উত্তৰ স্বৰূপে ভকতজনে পোনতে কিছুপৰ আপোন-মনে হাঁহি ললে। ভাবটো

এনেহে, যেন মোৰ প্ৰশ্নবিলাক তেওঁৰ মনত নিচেই অনাৱশ্যক যেন হে লাগিছিল। যি হওক, ভকতে হাঁহি সামৰি দীঘলকৈ হুমুনিয়া এটা কাঢ়ি লৈ লাহে লাহে কবলৈ ধৰিলে :—

"ডেকা-দেউতা! সেইবোৰ ভালেমান কথা। কিমান কম, কিমান শুনিব?

"মই উপজিছিলো অসমৰ এখন মূধ-ফুটা নগৰৰ বৰ-মানুহ এঘৰৰে এটি হৈ। সকৰে পৰা আমাৰ ঘৰ মানুহবহে নেলাগে গোটেই চুবুৰিটোৰে ৰাজহুৱা জিভা-থন পছিমীয়া পছোৱাৰ বুকত উঠি উজাই অহা বেবেজীয়া বঙ্গলুৱা মচলাই পাই ডাকি দগধা কৰিছিল। আমাৰ মুখত কেতিয়াবা কাচিৎ এধা-সিজা গীত এফাঁকি ফুটিলেও অসমীয়া বনগীত বিননিয়ে হ'লে আমাৰ টেটুত কেতিয়াও খোপনি নেপাইছিল।

"কিন্তু আমাৰ চুবুৰিৰ আঁৰতে অসমীয়া নামঘৰ

এটিবে সৈতে অসমীয়া গাওঁ এখন আছিল। তাৰ ডেকা-গাভৰুহঁতে নিজৰ নতুবা লুইতৰ বালিত বনগীত বিহুগীত গাই খলক লগাইছিল। আমাৰ জিভা দোবোল নেখালেও কানৰ নিকাইদি হ'লে সেই অমিয়া সুৰবিলাক মোৰ কলিজা পাইছিলগৈ। ৰঙ্গলুৱা বেবেজীয়া গীত-মাতৰ এপুৰুষীয়া কৰাল ভেদিও সেই উৰণীয়া বনৰীয়া গীতৰ খৰ-লেহেটীয়া সুৰৰ ৰাগীয়ে মোৰ হিয়াত কিবা নজনা নুবুজা ভাৱৰ উজান তুলিছিল। ফলে কত গতিয়াৰ চাগৈ, মোৰো বয়স বাঢ়ি অহাৰ লগে লগে সেই গীতৰ ৰাগীয়ে মোক আৰু অধিককৈ মতলীয়াহে কৰিবলৈ ধৰিলে।

“সেহত কোনোবা এবছৰ কোনোবা এদিন মই আবতৰতে কিবা এটা ভাৱত ওপজি আপোনমনে গাই পেলালোঁ। :—

"পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰোঁ মই
লতা বগাবলৈ টান।
বনগীত-বিননি গাবি কি মনাই ঐ
বাইজে নেপাতে কাণ।"

"ক'ব নোৱাৰোঁ কোনখন চোতালৰ কোনটো চুকৰ পৰা মোৰ "সভ্য-ভব্য" 'মামা', অৰ্থাৎ মোমাইভনে মোৰ এই মনে-সজা গীতসাৰ শুনিবলৈ পাই খঙতে জ্বলি-পকি মূৰ্চ্ছিত হোৱাদি হ'ল। মই হেনো কিবা নোহোৱা-নোপজা নাক-কটা কাম কৰিলোঁ! ফলত, গধূলি ঘৰৰা শিক্ষকৰপৰা ধৰি দেউতালৈকে 'ওপৰৱালা' কেউজনৰে পৰা মই বটা পালোঁ গালি, চৰ, বাঘ-ঢকা!

"নকলেও হব যে এই ভাউৰি আসুৰিক সন্নিধানৰ পিছত মোৰ মনৰ বিননি মুখৰপৰা হুঁহকি গৈ মোৰ কলিজাৰ তলাতলি ঘৰৰ অন্তেসপুৰত লুকাই সোমালগৈ। ময়ো কাকো একো নকলোঁ—কেৱে নেজানিলে।

"তাৰ পিছত ভালেমান দিন গল। চকুৰ আগতে এটি দুটিকৈ অসমীয়া গীত-মাতে কাল-স্মৃতীত বুৰ মাৰিবলৈ ধৰিলে। "ভাল-মানুহ—ভদ্ৰলোকৰ" আপাহ পাই সিহঁতৰ ঠাই বাৰে-বাঙ্কৰা বেবেৰিবাঙ্ খনে দোপত্-দোপে দখল কৰিবলৈ ধৰিলে। গতিগোত্ৰ দেখি নিৰুপায়-বিবুধি হৈ ময়ো গীত-মাতত কাণকে দিবলৈ এৰি দিলোঁ।। মাথোন, মোৰ কলিজাৰ ভিতৰতে গুপুতে ৰসৰ ঢল বোৱাই নিমাতী কন্যা অসমীয়া বিননিয়ে আমনে-জিমনে গুণ্ গুণাবলৈ ধৰিলে। কিন্তু বাহিৰত হ'লে আৰ-কাপোৰ যেন হৈ এই ৰহস্যক আবৰি থাকিল এটি বিষাদৰ মনমৰা ভাব।

"এনেভাৱেই ডাঙৰ-দীঘল হৈ গৈ আছোঁ। মনত সুখ নাই, প্ৰাণত শান্তি নাই, জিভাত সোৱাদ নেপাওঁ; —আনকি জীয়াই থাকিবলৈকো মন নোযোৱা হ'লহি! এবেলি ভাবিলোঁ, সঁচাকৈয়ে ভাটিৰ-পিনৰ গীত-মাতবোৰ

চাগৈ মোৰ সাদৰি অসমৰ গীত-মাতকৈ ভালেখিনি শুৱলা আৰু সুৰ'দি হব পায়। সঁচা নে মিছা বুজকে লৈ আহোঁগৈচোন বুলি এদিন সঁচাকৈয়ে উজনিলৈ পিঠি দি ভাটিলৈ বুলি ভৰি মেলি দিলোঁ। এযুগকাল অনাই-বনাই শেহত ইয়াকেহে বুজিলোঁ যে "বাৰীৰ ঘাঁহে গোহালিৰ গৰুৱে বাহি নাহে"। দেশৰ দশা বুজিহে বুঢ়ালোকে বাইকৃশাৰ বান্ধিছিল।

"ডেকা-দেউতা! তথৰ কথা কি কম! দিহিঙে-দিপাঙে, বিদেশে-বিভুমে ঘুৰি-পকি, ভালেমান দেশ-ঠাইৰ গীত-মাত শুনি শিকি শেহত নিৰাশ হৈ আকৌ মোৰ সেই পৰম সুৰ'দি গীত-মাতৰ দেশ এলাগী অসম-লৈকে উলটি নাহি নোৱাৰিলোঁ।

"কিন্তু ঘৰ পায়েই দেখিলোঁ কথাৰ গতি বিষম। অসমীয়া গীত-মাত প্ৰায় অন্তিম শৰ-শয্যাত। পাঁচজন পাণ্ডবে পাঁচপালী অসমীয়া আসুৰিক নিদানিক ঔষধৰে

যমৰজাৰে সৈতে যুজিব লাগিছে হয়, কিন্তু চাবিওপিনে বেৰিলৈ অসংখ্যাত কৌৰৱে বিথনহে কিল্কিলনি লগাইছে, তাৰ প্ৰতাপত এতিয়া বেচেৰী অসমীয়া সুৰ-ধুনীৰ ধাতু ফেৰি অকালতে উৰি নগলেহে ৰক্ষা!

"হৰি হৰি! বৰকথা নাতোঁতে মাতোঁতে দেশৰ দশা এনেহে হলগৈ! এতিয়া কি কৰোঁ; কি উপায়—বুলি মূৰে-কপালে হাত দি বহি ভাবি-চিন্তি আছোঁ—এনেতে এদিন কৰবাৰ পৰা নতুন অসমীয়া পুথি এখনি থপ্ কৰে মোৰ হাতত পৰিলহি। বিতোপন ছপা পুথি! নামটো হৈছে—

"**বৰফুকনৰ গীত**"।

এইখিনিলৈকে কৈ ভকতজন অলপ সময় নিতাল মাৰিলে। মোৰ মুখলৈ চকু দি, যেন দূৰ্-দুৰণিৰ কিবা

"বৰফুকনৰ গীত"—(অসমীয়া ব'ৰাগী ভকতৰ মুখত শুনা) ৰায়বাহাদুৰ ডক্টৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম্-এ, বি-এল পি-এইচ-ডি (লণ্ডন) সম্পাদিত।

কথা সুঁৱৰি, খুব কৰুণ লেলেটীয়া সুৰেৰে মনমুহিনিয়া গুণ্‌গুণনি এটি জুৰিলে। খন্তেকৰ পিছত আকৌ নিজেই কবহৈ ধৰিলে :—

"বান্ধৈ! চকু নেখাবা। তুমি মোৰ বুকুখন ফালি চোৱা। কথাৰ হাঁকুটাৰে কাষ পোহাই আনি মোৰ কলিজাত বাঘ-জৰী লগাই ল'লা। গতিকে এতিয়া আৰু তোমাক মই পৰ ভাবিব নোৱাৰোঁ। 'দেউতা' বুলিলে আঁতৰা-আঁতৰি হ'ব হক। 'বান্ধৈ' নুবুলিলে আৰু মোৰ উপায় নাই। বেয়া নেপাবা, বান্ধৈ।"

মইও ছল্‌ছলীয়া চকুৰে সন্মতি জনালত তেওঁ আকৌ ক'বলৈ ধৰিলে :—

"বান্ধৈ! মণিৰাম দেৱান মৰি গৈ যেনিবা বিননিত মোৰ মাথোন ৰাপ হে বহুৱাইছিল। কিন্তু-ৰূপে সৈতে—মান-অনা-বদন বৰফুকন মৰি গৈ যেনিবা বন-বিননি মন-বিননি গাবলৈকে শিকালে বুলিবা। নকই

নোৱাৰোঁ বান্ধৈ! এই অনুপম পুথিখনি পোৱাৰ পিছৰে পৰা মই মৰোঁ-জীওঁ-সোঁ-আধি কৈ অসমীয়া ব'ৰাগীৰ গীত ফুটাই গাবলৈকো সাহ পোৱা হলোঁ। কাৰণটো অৱশ্যে বুজি পাইছাই নহয়, বান্ধৈ! আমাৰ এই অবৰা দেশখনত ছেপা-কাকত বিলাকত তুলি নিদিয়া মানে অইনহে নেলাগে দশমৰ পদ ফাঁকিও শুচি নোহোৱাত পৰিছেহি। মাগোন ভকতৰ হিয়াই-মুখে থাকিলেই গীত-মাত বোৰো অভদ্ৰ আৰু অশুচি হৈতো থাকিবই তাৰ উপৰিও আওহেলা অপমানত সিইঁত শুকাই খীণাই মৰি অন্ত পৰিবলৈকো কেতেপৰ?"

ইমানলৈকে কৈ ভকতে আকৌ হুমুনিয়াহ এটা পেলাই গুণ্‌গুণকৈ হিয়া পমি যোৱা সুৰত ন কৈ বিননি এটা জুৰিলে। ছেগ চাই মই আকৌ সুধিলোঁ :—

"বান্ধৈ! পিছে তুমিনো এনে বিনন্দীয়া সুৰবিলাক শিকিলা ক'ৰ পৰা?"

উত্তৰ পালোঁ :—“বাৰ্দ্ধে ! গীতৰ গাৰ বান্ধনিতে বিধে বিধে সুৰ খুৰাই, ৰসৰ বাখৰ পতোৱা আছে। তাও এৰি ভণিতা সামৰি ভকতিৰে আওৰাই গলেই সুৰটিইঁতেও য'ত যিটি সাজ শুৱনি ত'ত তাকে পিন্ধি-উৰি, ৰসৰ সুৰ'দি গাগৰী কঁকালত লৈ আপোনাৰ জিভাৰ আগতে নিজে নিজেই ধৰা দিবহি নহয় ! তাৰ বাবে ভাটীৰ কলেজ ‘পাছ’ কৰিব লাগিছে কেলেই ? আপোনাৰ কলিজাত হে কথা।”

মই ভাবি চালোঁ মোৰ ব'ৱাগী বাৰ্দ্ধেৰ কথাযাৰ সঁচা ; কিন্তু আজিৰ অসমত তাক পতিয়ায় কোনে ?

ইয়াৰ পিছত ভালেমান দিন মই ভকতক লগ পোৱা নাছিলোঁ। বিষয়ৰ বেমেজালিত পৰি মন থাকিলেও ক্ষণ লগাই মইও উপৰাচি তেওঁৰ বুজ-বাতৰি লব পৰা নাছিলোঁ। মাজতে এবেলি মাথোন দৰঙৰ বিয়া এখনত তেওঁক এখন্তকলৈ লগ পাইছিলোঁ। তাত

তেওঁ মোক একাষৰীয়াকৈ মাতি নি মাথোন এই চাৰি-ফাকি গীত গাই শুনাইছিল :—

“কোনে সিচি দিলে জোনৰে জেউতি
কোনে বাছি দিলে তৰা।
কোনে মেলি দিলে লাহতী মলয়া
কলিজা উকণ্ঠা কৰা॥

“কোনে সাজি দিলে মহুৰা চেৰেকী
কোনে চাঁচি দিলে মাকো।
গাভৰুৰ মনেৰে ডেকাৰ মন সাঙুৰি
কোনে ৰচি দিলে সাঁকো॥

“পিছলৈ নেচালে পিছুৱাই নগলে
পিছকথাত নিদিলে কাণ।
উজনি নামনি ৰজনজন কৰিলে
পিৰিতিৰ ৰাখিলে মান॥

"সোঁৱেদি এখুজি বাৰেঁদ এখুজি
খোজতে খোপনি লই।
চলিলে বুলিলে ঘুঁচিলে জিনিলে
তুটিয়ে একেটি হই॥"

তাৰ পাছত মোৰ বান্ধৈ ব'ৰাগী ভকতজন কেনি ক'লৈ গ'লগৈ মই একো তত ধৰিব নোৱাৰিলোঁ। দিনদিয়েকৰ পাছত বিষয়ৰ বৰশীত পৰি মগো অসম এৰি পৰ-বাস পালোঁহি। এই কলিকতা চহৰতে কেতিয়াবা কাচিৎ অ'ত ত'ত হঠাৎকাৰে মোৰ সেই ব'ৰাগী বান্ধৈজনক ছয়া-মায়াকৈ দেখা পোৱাদি পাওঁ কিন্তু মানুহৰ হাই-উৰুমি খকা-খুন্দাত ঠিৰাং কৈ ধৰিব নোৱাৰোঁ। মোৰ অতি আপোনতকৈও আপোন এই পুৰণি বান্ধৈ-জনক হাততে পাইও হেৰুৱা যেন ভাবি মনে মনে থাকোঁ।

এই দৰে সুখে-দুখে হৰিষে-বিষাদে দিন গৈ আছে ;

এনেতে এদিন আচম্বিতে অসমৰ পৰা বিজুলী বাতৰি এখন পালোঁ ঃ—

"অসম-সাহিত্য-সম্রাট লক্ষ্মীনাথ বেজবৰুৱা তথা কৃপাবৰ বৰবৰুৱা ডিবুৰুৰ পৰা স্বৰ্গী হ'ল।"

বাতৰি পাই ঠাইতে থৰ হলোঁ।

*　　*　　*

এদিন দেওবাৰে দুৱাৰ ঘৰ বন্ধ কৰি অসমৰ অতীত ভবিষ্যত আদি নানান চিন্তাত মন মেলি দি অকলে অকলে চকুমুদি বহি আছোঁ। লাহে লাহে আবেলি গড়ি গৈ সাঁজ লাগিল। চাওঁতে চাওঁতে নিশাও হ'লহি। তিল্ তিলকৈ ৰাতিও গহীন হৈ আহিল।

এনে অৱস্থাত হঠাৎ শুনোঁ—মোৰ ঘৰটোৰ সমুখৰ বৰদুৱাৰ খনত কলিজা কঁপি উঠাকৈ এটা ধুম্‌ধুমনি! চক খাই উঠি মাত লগালোঁ—"কোন?"

উত্তৰ পালো—"মই হে।"

"কোন মই ?"

"মনাই ব'ৰাগী"।

"কোন মনাই ব'ৰাগী ?"

"আপোনাৰ বান্ধৈ !"

লাহেকৈ উঠি গৈ দুৱাৰ খন মেলি দি দেখোঁ সঁচাকৈয়ে মোৰ সেই অচিনাকি হৈও চিনাকি, পৰ হৈও অতিকৈ আপোন—মনৰ লগৰী চিতৰ সখী—অসমীয়া ব'ৰাগী ভকত মোৰ "বান্ধৈ" পুনৰপি মোৰেই প্ৰৱসুৱা বহাৰ দুৱাৰদলিত ! মই গঢ়-গতি দেখি বিচুৰ্ত্তি হলোঁ :

এইবেলি হলে ব'ৰাগী ভকতৰ মুখৰ আগৰ সেই সোণ পানী চৰোৱা হাঁহিটি শুকাই গৈছে। চকু-জুৰিও চল্‌চলীয়া ! দেহাটিলৈকো বৰ যতন নাই যেন লাগিল।

অতিশয় করুণ হাঁহি এটি মাৰি তেওঁ মোক ক'লে "বাৈন্ধে ! আজি মই বব নোৱৰা ভাৰ এখন লৈ তোমাৰ পদুলি পাইছোঁহি। মই আৰু বেচি পৰ বই লই ফুৰিব নোৱাৰোঁ। আজি তোমাকে গতাই থই যাম বুলিহে আহিছোঁ।"

এই বুলি কই তেওঁৰ পিঠিত থকা মেট-মৰা নগাৰ হোৰাটো লাহেকৈ নমাই মোৰ মজিয়াতে থলে। লগতে উত্তম মুগাৰ কাপোৰৰে বন্ধা টোপোলা এটিও। কাষ্‌লতিৰপৰা পকাবন্ধা কিতাপ এখনিও উলিয়ালে। হাতত অছিল এখন পুৰণি বীণ আৰু এটি বাঁহৰ বাঁহী।

ভকতক আথে-বথে বিচনী এখনি হাতত দি ক্ষন্তেক বহি জিৰণি লবলৈ কই মই সন্তৰ্পণে তেওঁৰ লগত অহা বস্তুবোৰ লুটিয়াই বগৰাই চাবলৈ ধৰিলোঁ।

হোৰাটোত আছিল জাপে জাপে ভালেমান পুৰণি 'জোনাকী" আৰু "বাঁহী"। টোপোলাটোত

আছিল এই অমূল্য আৰু অনুপম কিতাপ বিলাক :—

"লিতিকাই"—"জোন বিৰি"—"জুনুকা"—"বাখৰ" "সুৰভি",— "সাধুকথাৰ কুকি",— "পদুম-কুৱঁৰী",— "ককাদেউতা আৰু নাতিল'ৰা",—"বুঢ়ী আইৰ সাধু",— "নোমল", —"পাঁচনি",— "চিকৰপতি-নিকৰপতি",— "কদম-কলি",—"জয়মতী কুৱঁৰী",—"চক্রধ্বজ সিংহ"— "বেলি-মাৰ",--"ভাৰত-বুৰঞ্জী"—"কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা"—"কৃপাবৰ বৰুৱাৰ "ভভতনি",—"কামত কৃতিত্ব লভিবৰ সঙ্কেত",—"ডাঙৰীয়া দীননাথ বেজ-বৰুৱাৰ সংক্ষিপ্ত জীৱন-চৰিত",—"শ্রীভগৱত্-কথা",— আৰু কাষ্‌লতিৰ তলত কিতাপখন আছিল—"মহাপুৰুষ শ্রীশঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ।"

মই ভকতক সুধিলোঁ। "বান্ধৈ! এয়ে হ'বলা তোমাৰ ৰব নোৱৰা ভাৰখন? তেওঁ কলে "কেলেই হ'ব বান্ধৈ! এইফেৰি বস্তুকো মহা-ভাৰ বুলি ভাবোতা অসমীৰ পোৱে

জনম লইছেনে? এনে হেন সম্পদক বাপতি সাহনহে বুলিব লাগে। মোৰ আচল ভাৰখন সুকীয়া বাঙ্কে! তাক চকুৰে দেখি নেপাবা এথোন। পোনতে মই কই যাওঁ, তুমি শুনি যোৱা। মোৰও হিয়াখন পাতল পৰক।"

এইদৰে কৈ বাঙ্কেয়ে মোৰ মজিয়াত থকা চক্-ঢৰা-খনতে আসন লই বহি, বীণখনি বাই বাই ভাত পানীলৈ পাহৰি সেই মাজ-নিশাৰে পৰা দোকমোকালিলৈকে নানান্ সুৰ-জাত লগাই মোক এই দীঘলীয়া বিননিটি গাই শুনালে। ময়ো আপোন পাহৰি, ভাত-পানী কাতি কই লগে লগে তুলাপাতত টুকি গই থাকিলোঁ।

বাতি পুৱাওঁ পুৱাও পৰত ভকতে নামথই মোৰ মেজৰ ওপৰতে থকা পিতলৰ শৰাইখনলৈ চাই দীঘলীয়া সেৱা এটি জনালে। ময়ো, কিয় কব নোৱাৰোঁ, তেওঁকে দেখা দেখি চকিতে বহি তললৈ মূৰ কৰিলোঁ। উজা-

গৰীয়া দেহা, কেতিয়া টোপনি আহিল ক'ব নোৱাৰোঁ। ৰাতিপুৱাৰ পিনে গাড়ী খোৱাৰ পৰ পৰ্ব্বতত সাৰ পাই উঠি চাওঁ, ভকত নাই! মোৰ সেই চিলমিলীয়া টোপনিৰ ভেলু পাই মোৰ মৰমৰ বাক্সে কেনিবা গুচি গ'লগৈ। ওলাই গৈ মই বাটে পদূলিয়ে ভালেমান পৰ বিচাৰিলোঁ। কিন্তু ব'ৰাগীৰ হ'লে কোনো উৱাদিহকে নেপালোঁ।

ব'ৰাগী বাক্সেয়ে এৰি থই যোৱা সেই টোৰা-টোপোলা, পুৰণি-পুথি-পাজি, বীণ বাঁহী আৰু বিৰহ আজিও মই বুকুত বান্ধি লই ফুৰিব লগীয়াত পৰিলোঁ।

বাক্সেয়ে মোক বন্দি কৰি থৈ গ'ল নে যোৱা তেওঁৰ সেই দিনটোৰ মেট মৰা ভাৰখিনি অকলে বই লই ফুৰাবৰ শক্তি এই অভাজনৰ নাই গুণেই নৰসাহকৈ অসমীয়া গীত মাতৰ মোৰ বুজোতা বাইজলৈকে আঁতৰ লই আগ বঢ়ালোঁ।

নকলেও হব যে ন'বাগী ভকতৰ ভাব আৰু ভাষাৰ উপৰত শুধৰণি হাত ফুৰাবলৈ আমাৰ সংসাৰী চিত্তৰ সাহও নহল, শকতিও নাই। গীতটিৰ নামটিও জয়জয়াতে "বাঙ্কী"য়েই নিজে সাজি দিলা। এতিয়া অসমৰ ডেকা-গাভৰু, ভাই-ভনীহঁতেও মনাই ন'বাগীৰ এই ভকতিৰ উপহাৰ কেৰি আওকণা নকৰি ভোগত লগালেই ভকতৰো কল্যাণ, আমাৰো সন্তোষ। ইতি।

কলিকতা।  
১৯৩৮ খৃঃ।

—"ডেকাফুকন"—

PLEASE HANDLE THE BOOK CAREFULLY

শ্ৰীশ্ৰী

# বেজবৰুৱাৰ গীত

----

## ( প্ৰস্তাৱনা )

পোনতে প্ৰণামো সৃজনৰ গৰাকী
চকুৰে নেদেখা জন।
বুজিবো অগোচৰ বিধিৰো ওপৰৰ
ভকতৰ অন্তৰৰ ধন ॥ ৪



DISTRICT LIBRARY
(HEM BARUA COLLECTION)

দ্বিতীয়ে প্ৰণমো চেনেহী জননী
মৰমৰ অসমী আই।
আমি হেন অগিয়ান মূৰুখৰ হিয়াতো
জুৰিলৈ আছাহি ঠাই ॥ ৮

তৃতীয়ে প্ৰণমো দেশৰ ঘাই ভাৰসা
ৰাইজৰ একতাৰ বান্ধ্।
ৰাইজৰ সেৱাতে সপোনে সচিতে
পাতিছোঁ কলিজা কান্ধ্ ॥ ১২

# বন্দনা

আই মোৰ অসমী মৰমতে পমি
পোনতে শিকালা মাত।
গুৰুক হিয়াত ৰাখি গাওঁ পদ এফাঁকি
তোমাৰে চৰণৰ ছাঁত ॥ ১৬

আই মোৰ আসমী চেনেহতে পমি
পোনতে শিকালা গীত।
তোমাকে সুৰৰি গাই যাওঁ এশাবী
মুহি যাওঁ ভকতৰ চিত॥ ২০

আই মোৰ আসমী আদৰতে পমি
পোনতে শিকালা সুৰ।
বিৰহৰ বিননিত কান্দি যাওঁ বননিত
কলিজা কৰি যাওঁ জুৰ॥ ২৪

অন্তে মোৰ আসনী সাদৰতে পমি
পোনতে চিনালা বাট।
মৰণৰ আসনত ৰওঁ যেন মৰণত
তোমাৰে চৰণৰ ছাঁত ২৮

শ্ৰীশ্ৰী

# বেজবৰুৱাৰ গীত

---

প্ৰথম আধ্যা

লুইতৰ বুকতে কালৰ জীয়া সুঁতি
তাতে মেলি দিলো নাওঁ।
সন্ধিয়াৰ আঁৰতে কোনে বাঁহী বালে
সপোনত ভটিয়াই যাওঁ॥ ৩২

ভাটীয়নী সুৰতে দেহা মেলি দিলোঁ।
উজনিত এৰিলো মন।
পাচোৱাৰ আৰতে হিলৈৰ মাত শুনি মোৰ
কলিজাত বাজিলে ৰণ॥ ৩৯

লুইতৰ পাৰতে গাওঁ ভুঁই চুবুৰী
মনে বোলে এৰাতি ৰওঁ।
ৰণলৈ ওলালোঁ মন-ৰলী বোলালোঁ
টঙালী বিচাৰি লওঁ॥ ৪০

কেনি গ'ল টঙালি শত্রুক বঙালি
অসম মোৰ কঙালি হ'ল।
চাওঁতে চাওঁতে ৰান্ধোতে থাওঁতে
কাল-সুঁতিত নামিলে ধল ॥ ৭৪

ধলতে চাপলি মেলিলে ধনে ধান
কলচীৰ খহিলে সোণ।
অসমীৰ চোতালত আঁউসী নামিলে
ৰাহুৱে গিলিলে জোন ॥ ৭৮

PLEASE HANDLE THE BOOK CAREFULLY.

হুংকাৰ দিছিলে ভকতিৰ ভৰসা
জ্ঞানীয়ে দিছিলে বুজ।
ঘোপ্‌মৰা এন্ধাৰত ইটিয়ে সিটিয়ে
জুতি পাই লগালে যুঁজ॥ ৫২

জাতে বুলিলে জগতত নয়ে বৰ
কুলে বোলে নকবি থ।
কথাত কথা লাগি কলিৰ বল বঢ়ালে
সমাজত বাঢ়িলে শ॥ ৫৬

নিয়মৰ নামেৰে অনিয়ম চলিলে
নীতিৰ নাম ধৰিলে ৰীতি।
ধৰমৰ বিধিয়ে গাওঁ ভুঁই এৰিলে
শাও বৰষুণত তিতি॥ ৬০

নামৰ পিত মাৰিলে বাইজৰ কোঢ়ালে
প্ৰসঙ্গ হ'ল খিয়ালৰ মেল।
চুলি ছিগা বিচাৰত বাপুৰ মন মজিলে
বন্তিত নপৰিল তেল॥ ৬১

নামঘৰ উকাৰে বাৰিষা খৰালি
মণিকূট সোমালে উই।
ভকতিৰ গুৰিতে মাৰ-ঘাত পৰিলে
ভৰসাত লাগিলে জুই ॥ ৬৮

বাৰীয়ে বাৰীয়ে বিজুলী ভলুকা
কোনে কাটি আনে বাঁহ।
ৰাইজৰ শকতিৰ ঘাই-দল ভাগিলে
ভকতিৰ ফালিলে আঁহ ॥ ৭২

কলো গ'ল হাটলৈ আমো গ'ল ঘাটলৈ
কুঁহিয়াৰে শুকনি খায়।
চোঁতালে চোঁতালে চুলি ছিগা-ছিগি
কলিয়ে গগনা বায়॥ ৭৬

দীখৌৰ দুয়ো পাৰে গাভৰু ছোৱালী
গাতে এৰি মুগা পাট।
পাৰঘাটৰ কাষতে অঘৰা বহিলে
পাতিলে ফালেঙিৰ হাট॥ ৮০

ৰিহা গ'ল উফৰি মেখেলাও চুচ'ৰি
বিৰিণাৰ আঁৰতে ৰ'ল।
অঘৰীৰ আৰোৱান খাৰ্চাই শাৰীংন
নাচনীৰ আগুৰাণ হ'ল॥ ৮৩

"বাবু"ৰে বুলিলে কোমল চাউল নেখাবি
লুচি খাই বান্ধিবি বল।
ডা-ডাঙৰীয়াই বাক্ক হয় বুলিলে
অঘৰীৰ বঢ়ালে চল॥ ৮৮

মাটিয়ে পানীয়ে বিয়পি আছিলে
অসমীৰ সুৰ'দি মাত।
অসুৰৰ আপাহত অঘৰীৰ দোৱানে
ছল চাই ভেটিলে বাট॥ ৯২

গীতো গ'ল মাতো গ'ল দিহিঙে দিপাঙে
ভগানে ধৰিলে দেশ।
ছল চাই সোমালে অঘৰী পকৰা
ভৰালৰ কৰিলে শেষ॥ ৯৬

বিদেশী দোৱানে দেওপত্ দোপে মাৰি
পঢ়াশালীত ললেহি বাহ।
বজাইও বুলিলে থাক থাক নেযাবি
বাইজেও বুলিলে আহ ॥ ১০৬

চোঁতালে চোঁতালে ফুলিছিল মালতী
পদূলিত ৰূপহী বোল।
ঢকুৱা কোঁহালত নৰহিল ফুলনি
খেতৰে বেৰিলে টোল ॥ ১০৭

কলিকাল কলিকাল এয়ে বৰ বলী কাল
বলীশালত বান্ধিলি দেশ।
অসমীৰ মিঠামাত মুখতে হৰিলি
পাজি-পুথি কৰিলি শেষ॥ ১০৮

অঘৰা বগৰী বাগৰি জুগৰি
ৰংপুৰত্ ললিহি থিত্।
তোৰে ৰেহে ৰূপে টোপনি হৰিলে
ভকতৰ পুৰিলে চিত্॥ ১১২

# দ্বিতীয় আধ্যা

—— ঃ ——

এনেহেন সময়ত          সুধিলে গোঁসায়ে
"ধৰমনো কেনেকৈ ৰয় ?"
শঙ্কৰে বুলিলে          "ময়ে যাওঁ তুনাইকৈ"
মাধৱেও বুলিলে "হয়" ॥ ১১৬

ছঁয়াহে  নয়াহে          আহিলে ভুয়োজন
লুইতৰ  পাৰতে  ৰ'ল।
পূৰ্ণিমাৰ জোনাকত       উপজিল 'লক্ষ্মীনাথ'
তিনিও চিনা-চিনি হ'ল ॥ ১২০

গুৰুৱে  সঁপিলে          গিয়ানৰ  সঁফুৰা
ভকতে  শিকালে  গুণ।
অঁকৰা  অন্ধলা          ডেকামন গাভৰু
লখিমীৰ  মহিমা  শুন ॥     ১২৪

গুৰুৱে বুলিলে যুঁজিবা জিনিবা
বাইজক বিলাবা জ্ঞান।
ভকতে বুলিলে গীত মাত লগাবা
জগতে পাতিব কান॥ ১২৮

জননীৰ কোলাতে লখাইয়ে হাঁহিলে
পচোৱা থমকি ৰ'ল।
দুয়োজন পুৰুষে জয়-হওক বুলি কই
থানলৈ উলটি গ'ল॥ ১৩১

চুৰি বাগৰি আজি কালি কবি
লেখাই চালুকীয়া হ'ল।
ভুমলি জামলি সাঁতুৰি নাতুৰি
লৰাকাল উকলি গ'ল॥ ১৩৬

আয়ে খুৱালে কাহুদী-খাৰলি
বোপায়ে শিকালে বাঁহী।
কুলি কেতেকীয়ে গীত মাত শিকালে
জোনায়ে শিকালে হাঁহি॥ ১৪০

ভাৱনাই শিকালে ভাও ভঙ্গী ভনিতা
তাল খোল মৃদঙ্গৰ বোল্।
সবাহে শিকালে বচনৰ বান্ধনী
তিতা-মৌ-জালুকৰ জোল ॥ ১২৪

ৰংঘৰে পাতিলে ৰঙৰ বৰ-পাচনি
কাৰেঙে বঢ়ালে সাহ।
জেৰেঙা পথাৰে একণি কলিজাত
লগালে অগনিৰ দাহ ॥ ১৪৮

বিদেশী দোৱানে বুকুত শেল বিন্ধিলে
লাজৰো কাটিলে নাক।
অকলে অকলে কান্দিলে-কাটিলে
বুধিনো সুধিব কাক ? ১৫২

পঢ়োতে শুনোতে ভাবোঁতে গুণোতে
ল'ৰামন উতলা হ'ল।
দেশৰ দশা দেখি বেজাৰত বিৰাগত
চকুলো উপচি গ'ল ॥ ১৫৬

অসমত সৰু নাই বৰৰ বী-বিয়নি
মাজুৰ ঠাই পিটনিৰ তল।
ভেমপুৰ নগৰত নেপাই চল-খোপনি
লক্ষ্মীনাথে লুকালে বল ॥ ১৬০

বাৰীৰে পুখুৰীৰ বুকুত ডুবে মাৰি
লখাইয়ে শপতষাৰ খালে।
আই মোৰ অসমীৰ সেৱাত পেলাম দেহা
পানী তলে তলে গালে ॥ ১৬৫

সতী-জয়-সাগৰৰ ফটিক জল এটুপি
গুপুতে শিৰতে লই।
কাৰেঙৰ দুৱাৰত থিয় হল লক্ষ্মীনাথ
"কৃপাবৰ-বৰুৱা" হই॥ ১৬৮

দিখৌৰ মথাউৰিৰ আঁৰতে আঁঠু লই
কৃপাবৰে কৰিলে পণ।
অসমীৰ শত্ৰুৰ ভাঙি যাম ৰাজেহাড়
ভকতক জিনাই যাম ৰণ॥ ১৭২

দিখৌৰ দুয়োপাৰে ধুনীয়া মুনীয়া
কানীয়াৰ কুমতিৰ মেল।
বুধিৰ বৰ-ভঁৰালী কৃপাবৰ বৰুৱাই
মনতে পাঙিলে খেল॥ ১৭৬

মনতে পাঙিলে মনতে ভাঙিলে
মনতে সাজিলে বুধি।
ঘাই বাট চিনি লই সাজু হল লক্ষ্মীনাথ
বুকুৰ জন বান্ধৱক সুধি॥ ১৮০

তাহানি গুৰুৱে ভাটী ঘূৰি আহিলে
ভাৰ ভেটি ভৰসা ল'ই।
মৰোঁ জীওঁ অসমক জীউ দান কৰিলে
হিয়া মন উবুৰি ক'ই ॥ ১৮৪

হিয়াতে গুণিলে হিয়াতে গাঁথিলে
লক্ষ্মীনাথে মুকুতিৰ ফই।
ভকতিৰ চৰা নাওত ভটিয়াই ওলালে
মুঠিতে লেখনী লই ॥ ১৮৮

# তৃতীয় আধ্যা

——ঃঃ——

গাৰেঁ বোলে ভটিয়াই নেযাবি লক্ষীনাথ
খেলে বোলে ঘৰতে থাক।
কলিজাৰ পোৰণিত ওলালে লক্ষীনাথ
শুনিও নুশুনিলে হাক॥ ১৯২

বেজবৰবৰুৱা কৃপাবৰ লক্ষীনাথ
অসমীৰ আঁচলৰ ধন !
ল'ৰালিৰ আঁৰতে ধেনুবাণ ধৰিলে
ডেকালিত জুৰিলে ৰণ ॥ ১৯৬

কলেজত পঢ়িলে খিতাপও ধৰিলে
চাকৰিত নিদিলে মন।
মুকলি-মূৰীয়া বেপাৰত ধৰিলে
দুয়ো হাতে ঘটিলে ধন ॥ ২০০

উজনিয়ে বজালে টকা পেঁপা গগনা
নামনিয়ে বজালে ঢোল।
লক্ষ্মীনাথে বজালে মুকুতিৰ বাঁহীটি
আয়ে বোলে বুজিলোঁ মোল॥ ২০৪

শাহু আইক বুলিলে শাহু আই, শাহু আই!
বুঢ়ী আইৰ সাধু কওঁ শুনা!
শুৱনি অসমৰ সুৰ'দি কথা-মাত
সবাহ পাতি বহি গুণা॥ ২০৮

শাহুৰে বুলিলে মইনা লক্ষ্মীনাথ
এনেটো জোঁৱাই কত্ত পাম।
জীয়াৰীক জিনিলি জ্ঞাতিকো মুহিলি
ৰাখিলি পুৰুষৰ নাম॥ ২১২

তই যে গ'কুলৰ কানাই মই চিনিলোঁ
জীও মোৰ ৰাধিকা আই।
তহঁতৰ জীৱনত সুবুৰক বেলি জোন
এনে জোৰ পাবলৈ নাই॥ ২১৬

# চতুৰ্থ আধ্যা

—— ঃঃ ——

নামতো লখিমী কামতো লখিমী
ঘৰতো লখিমী নাম।
অসমৰ সেৱাতে দেহা মন সঁপোতা
লখিমীৰ গুণকে গাম॥ ২২০

বিষয়ৰ বাসনাত কাঠনি পালেগৈ
শুকান চাই কাটিলে শাল।
কুঠাৰৰ চাবতে নামৰ নাও বান্ধিলে
তৰিলে ভকতিৰ পাল ॥ ২২৪

বিধাতাৰ বৰশীত বুকু পাতি পৰিলে
পৰবাসত কটালে দিন।
বিৰহৰ পোৰণিত অইৰাণ পালেগৈ
বজালে ব'ৰাগীৰ বীণ ॥ ২২৮

বীণৰে বিননিত কিনো বাণ মাৰিলে
দীখৌ নৈ বাউলী হ'ল।
উজনি নামনি তুলি খলকনি
ভগা-মন নাচনী হ'ল ॥ ২৩২

বান্-পানীত বান্ধিলে ভাষাৰ বৰে ভেটি
পুথি লিখি সাজিলে দল।
কিৰীটিত থাপিলে কবিতাৰ কলচী
যাউতি-যুগীয়া হল ॥ ২৩৬

সপোনত জিনিলে নাগিনী গাভৰু
নগা-চাঙত পাতিলে কাণ।
গদাপানী কোঁৱৰক কাকতত বান্ধিলে
জয়মতীৰ ৰাখিলে মান ॥ ২৩০

অসমৰ বেলিমাৰ নীলাতে হেঙুলী
তাৰে আঁকি গ'লে পট।
ডেকাচাঙে কাচিলে ভাও লৈ নাচিলে
কিটিপৰ নেপালে তত্ ॥ ২৪৪

PLEASE HANDLE THE BOOK CAREFULLY.

বুঢ়ী আইৰ সাধুৰে লʼৰাৰ মন মুহিলে
বুঢ়া জিভাৰ বঢ়ালে ৰাপ্।
কিনো মৌ-পুখুৰী খান্দিলা লক্ষ্মীনাথ
কিনো ঐ মায়াবী কাপ্॥ ২৪৮

কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলাত
হেৰোৱা বিতকো পাওঁ।
কাহুদী-খাৰলিৰ টোপোলা মেলিলে
নিজকে পাহৰি যাওঁ॥ ২৫২

অঘাঁহী পথাৰত ফুলিলে মালতী
শিল ফাটি ওলালে সোণ।
বেজবৰবৰুৱাৰ ভাবৰ বুৰবুৰণিত
জিলিকে জুলীয়া জোন॥ ২৫৬

ইও ৰচে কবিতা সিও ৰচে কবিতা
পদৰ লাগে বান্ধে নাই।
লক্ষ্মীনাথে সাজিলে গীতৰ সোণ-শিকলি
জুৰিয়া পাবলৈ নাই॥ ২৬০

শোকতে সাজিলে সুৰভীৰ সঁফুৰা
দুখতে ৰচিলে নাট।
অসমৰ লেখাৰুক হিলৈ খাৰ জোগালে
লতা কাটি মেলিলে পাট ॥ ৩৬৪

বাঁহীকো বজালে বীণকো বজালে
পিন্ধিলে বিদেশীৰ বেশ।
শতুৰুৰ চোঁতালত তয়াময়া যুঁজিলে
সুথিলে ৰাখিলে দেশ ॥ ২৬৮

বেজে কৰে বেজালি খৰালি ৰদালি
নৰিয়াৰ ধনলৈ চাই।
বেজবৰবৰুৱাৰ তুলাপাতৰ আহুদিত
পচোৱাও উভতি যায়॥ ২৭২

এন্ধাৰত চৰালে জোনাকৰ জেউতী
দূৰণিত বজালে বাঁহী।
আঁকৰী আবৰী অসমীৰ মুখনিত
মিচিকাই তুলিলে হাঁহি॥ ২৭৬

বঙালত বজালে গুৰুজনৰ নাগেৰা
দ্বাৰকাত জুৰিলে নাম।
ভাৰতত বিলালে ভকতিৰ পকা ভোগ
পালিলে পুৰুষৰ কাম ॥ ২৮০

নিজকে চিনি লৈ নিজক পাহৰিলে
ধৰমত সঁপিলে মন।
কৰমৰ সাগৰত কানীয়াক দমিলে
ৰাখিলে পুৰুষৰ পণ ॥ ২৮৪

ভকতিৰ দুৱাৰত বাইডাং পৰিছিল

মুকুতিৰ মৰিছিল বাট।

একেটি ছেগতে দুয়োকো মেলিলে

গৰা খান্দি পাতিলে বাট ॥ ২৮৮

বৰকো বুজালে বৰালীৰ বিধিখন

সৰুৰো গঢ়িলে চিত।

গুৰুৰো খাটোলাত গিয়ান-পানী সিঁচিলে

জগতৰ সাধিলে হিত ॥ ২৯২

কানীয়াৰ আৰতে        কানি খোলা ভাঙ্গিলে
ঢোদৰ কান্ধত দিলে ভাৰ।
বৰ ভেমপুৰীয়াৰ        ফোপোলা পাগুৰিত
কৃপাবৰে শোধালে মাৰ॥ ২৯৬

-গায়নক চিনালে        গীতৰ গাৰ বান্ধনী
বায়নক চিনালে বোল।
টোকোনা ব'ৰাগীক        টোকাৰী লোৱালে
মৰমৰ বঢালে মোল॥ ৩০০

নেদেখাক দেখিলে নিচিনাক চিনিলে
নজনাৰ জিনিলে মন।
শতুৰুৰ কলিজাত জীয়া জুই জ্বলালে
নুযুঁজিও জিনিলে ৰণ ॥ ৩০৪

আঁতৰে আঁতৰে কিনো বাঁহী বজালে
কাৰেঙৰ শিৰলৈ চাই।
পদুমক ৰলালে জোনবাইক গলালে
লুইতৰ পাৰতে পাই ॥ ৩০৮

ল'ৰালিত বজালে মাটিৰে স্থতুলী
ককাই কাঢ়ি নিলে তাক।
আঁতৰত বজালে মনে সজা বাঁহীটি
শতুৰুৰ কাটিলে নাক ॥ ৩১২

পুতলা সাজোঁতে বকিলে বোপায়ে
দেওপূজা নকৰোঁ বুলি।
অসমৰ শিৰতে সোণপানী চৰালে
খুৱালে কবিতাৰ চুলি ॥ ৩১৩

নামনিত পাতিলে নামৰে আখৰা
উজনিত কাটিলে কল।
গুৰুৰ গীত গুণেৰে জয় ধ্বল নমালে
মাজুলীক নিয়ালে তল ॥ ৩২০

মাজুলী মাজুলী ডাৱৰ নাই বিজুলী
শিয়ালে জোকাৰে শিং।
হাঁহিৰে বাঁহী বাই ভাগৱত ভাঙিলে
বুধিৰে জিনিলে টিং ॥ ৩২৪

ঢিঙে বোলে মৰিলোঁ    আমি বোলো তৰিলোঁ
আজি সইত মুকলি হ'ল।
লক্ষ্মীনাথে ভাঙিলে    ভকতিৰ জেওৰা
ভকতৰ বঢ়ালে বল॥ ৩২৮

ভকতি শকতি    অসমৰ মুকুতি
অতদিনে নাছিলে  চিন্।
লুইতত বোৱালে    উজাই ওভতনি
তুয়ো পাৰে বাজিলে বীণ॥ ৩৩২

গাভৰুৱে ধৰিলে মুগা পাট খামুচি-
ডেকাই বোলে নেৰিবি যুঁজ।
বুঢ়া বেথাবোৰে টকালি পাৰিলে
লক্ষ্মীনাথে বিলালে বুজ॥ ৩৩৬

লখিমীৰ মহিমা গাম কি শুনিবা
মুকুতাৰ নিচিগা ধাৰ।
আই মোৰ অসমীৰ ডিঙিতে জিলিকে
গীতৰ হীৰাপতা হাৰ॥ ৩৪০

# পঞ্চম আধ্যা

——ঃ ——

ৰাইজে বুলিলে বৰপীৰা পাৰিছোঁ
বহাচোন কৃপাবৰ চাওঁ।
তোমাৰে মূৰতি কৰি যাওঁ আৰতি
জানোচা শকতি পাওঁ ॥ ৩৪৪

সবাহে বুলিলে বৰ মেল পাতিছোঁ
নাহানে এবেলি দেও।
তোমাৰ গুণ বখানি আঁঠু লৈ বহিলোঁ
তোমাক কৰোঁ বুলি সেও ॥ ৩৪৮

লখাইয়ে বুলিলে আমাক এৰি থোৱা
জননীৰ মুখলৈ চোৱাঁ।
আই মোৰ দুখুনী কলিজাত অগনি
আইনাম এফাঁকি গোৱাঁ ॥ ৩৫২

অসমীৰ সেন্নালৈ কোনে কি আনিছা
কোনে কেনি বাটিলা গড় ।
কোন খন ধেমুৰে কোন ৰামচিঙলৈ
কেইপাত মেলিলা শৰ ॥ ৩৫৬

ইও বোলে শুনিলোঁ সিও বোলে বুজিলোঁ
আমি বোলোঁ কাটিলে নাক ।
কৃপাবৰ বৰুৱাৰ দেওধনি লেখনী
নিবিন্ধি এৰিব কাক ॥ ৩৬০

শিৰত তুলি ল'লে ভগা বৰে জাপি
হাতত চেৰা ঢেঁকী থোৰা।
কঁকালত আঁৰিলে পটুৱাৰ টঙালি
পিঠিত তুলাপাতৰ হোৰা॥ ৩৬৪

তুভৰিত পিন্ধিলে হজুৱাৰ ফানটি
তুয়ো গালে সানিলে চূণ।
ৰাইজক ভকতক হুঁহুৱাই কন্দুৱাই
ভেমৰ ছিটিকালে ধুন॥ ৩৬৮

কৃপাবৰে কৰিলে হাকিমক ইতিকিং
হাকিমনীক বুলিলে বৌ।
নাচনী পাচনিক বিহুতালী পোৱালে
ৰাইজক বিলালে মৌ॥ ৩৭২

ইয়ে বোলে বহুৱা সিও বোলে হুঁহুৱা
আয়ে বোলে বহু বেলি হ'ল।
লুইতৰ ঘাটলৈ যোৱা চোন কটকী
কৃপাবৰ কেনিবা গ'ল॥ ৩৭৬

ভালতো নভজে        ভয়তো নভজে
ভেমবৰ মুকুখৰ চিত।
কৃপাবৰে ভাওলৈ        হঁহুৱাই মাৰিলে
সমাজৰ সাধিলে হিত॥ ৩৮০

গভুৰা কালতে        ভটিয়াই গ'লেগৈ
ৰাইজক মেলানি ল'ই।
সপোনে সঁচিতে        অসমক সেৱিলে
আইৰ বৰপূজাৰী হই॥ ৩৪৮

বেলিভাটী বয়সত ঘৰমুৱা ব'ৰাগী
পালেহি অসমীৰ থান।
আইৰে কলিজা আইৰে কামি হাড়
আইকে কৰিগ'ল দান ॥ ৩৮৮

সাতোখন সাগৰত সাঁতুৰি নাতুৰি
লুইতত মাৰিলে বুৰ।
পানীৰে তলতে বৰগীত জুৰিলে
চাক্‌নৈয়াত শুনিলো সুৰ ॥ ৩৮৯

দীখৌৱে বুলিলে লখিমীক নেপালোঁ
ৰংঘৰে বুলিলে গ'ল।
লুইতে বুলিলে দেখিও নেদেখিলি
লখাই মোৰ বুকতে ৰ'ল ॥ ৩৯৬

নামঘৰৰ টুপতে লখিমীৰ কলচী
বৰঘৰত লখিমীৰ পুথি।
খোপনিত ধৰিবি লখিমীৰ লাখুটি
নেৰিবি হাতৰে মুঠি ॥ ৪০০

শুনিবি শুনিবি ডেকামন গাভৰু
অসমত নেৰিবি ৰাপ।
নেৰিবি হাঁহিটি নেৰিবি বাঁহীটি
নেৰিবি লখিমীৰ কাপ॥ ৪০৪

ওৰেটো জীৱনত যুজকে কৰিবি
জিনিবি ভকতৰ চিত।
মেলানিৰ পৰতো হৰিনাম নেৰিবি
নেৰিবি অসমীৰ গীত॥ ৪০৮

বিধাতাক তুতিকৈ লখাইয়ে বুলিছিল
মোৰ আইক শিৰতে লওঁ।
জনমে জনমে অসমত উপজি
মৰিও যেন অসমত ৰওঁ॥ ৪১২

জনমে জনমে আহিব কৃপাবৰ
কাকতৰ টোপোলা ল'ই।
তেওঁৰ খুহুটীয়া অমিয়া বিলাক
ৰাইজৰ বুকতে ৰ'ই॥ ৪১৬

জনমে জনমে আহিব কৃপাবৰ
মুখীয়াল ৰণুৱা ঐ।
বিলাব ভকতি যোগাব শকতি
গিয়ানৰ ভৰালী হৈ॥ ৩২৩

জীয়নত আছিলে আতৰে আলেঙে
দেহা এৰি লুকাব ক'ত?
হিয়াৰ মণিকুটত ৰাখিছোঁ গুপুতে
থাপনা পাতিছোঁ য'ত॥ ৪২৪

নামে ধৰ নামে ধৰ ডেকামন-গাভৰু
আইৰ নামত নকৰি হেলা।
নামতে সিজিব বিষয়ৰ বাসনা
নামেসে মুকুতিৰ ভেলা॥ ৪২৮

নামৰে গুণতে তৰিলে লক্ষীনাথ
সঁপি গ'ল নামৰে সুৰ।
নামৰে পাখী লৈ ডেকামন গাভৰু
আকাশী মলয়াত উৰ॥ ৪৩২

আইনাম স্থুৰ'দি আইনাম আহুদি
মাণিকী মধুৰী মৌ
নামতে ধনেবিত নামতে অমিৰিত
এনে নাম এৰিবৰ নৌ॥ ৪৩৬

সৌৱা শুনি পাওঁ পুৰুবে পছিমে
উতৰে দখিণে গীত।
লক্ষীনাথে জুৰিলে ৰাইজে ধৰিলে
আইৰ শাঁত পৰিলে চিত্ত॥ ৪৪০

"অ' মোৰ আপোনাৰ দেশে মোৰ সপোনৰ
অ' মোৰ সঁচিতৰ দেশ।
এনে খন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ ॥ ৪৪৪

"অ' মোৰ সুৰীয়া মাতে মন-জুৰীয়া
অ' মোৰ সুৱ'দি মাত।
তোমাৰে সুৰতে আঁৰতে দূৰতে
হিয়া মোৰ পৰি যায় শাঁত ॥ ৪৪৮

PLEASE HANDLE THE BOOK CAREFULLY.

"অ' মোৰ ওপজা ঠায়ে মোৰ ওমলা
অ' মোৰ অসমী আই।
চাই লওঁ লাৱনী তোমাৰ মৌ-মুখনি
হেপাহ মোৰ পলোৱা নাই॥" ৪৫২ ॥

—— ፨ ——

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

# টীকা

টীকাত লিখা অঙ্কবিলাকে "বেজবৰবৰুৱাৰ গীত"ৰ শাৰীৰ সংখ্যা বুজাইছে।

---

১—১২। মনাই ব'ৰাগী অসমীয়া হ'লেও "কাব্যৰ বিশ্ব-প্ৰচলিত ৰীতি" বুলি প্ৰকাশিত "আই সৰেচতী দেৱী পাৰেবতী" আদি মামৰে খোৱা ভণিতাতে সন্তুষ্ট নহৈ,এখোজ ওপৰলৈ উঠিগৈ, যাইজন গৰাকীৰ শৰণ লোৱাটোকে উচিত বুলি ভাবিছে। "সৃজনৰ গৰাকী","ভকতৰ অন্তৰত ধন" আদি বাক্যৰপৰা কবিৰ বিশ্বজনীনতাৰ স্বৰূপ আৰু সত্যোপলব্ধিৰ মহত্ব জিলিকি উঠিছে।

স্ৰষ্টাৰ পিছতে "চেনেহী জননী অসমী আই"ৰ নাম লোৱাটো অসমীয়া কবিৰ পক্ষে নতুন হলেও যুগোপযোগী আৰু অতি আৱশ্য-কীয় সংস্কাৰ আৰু প্ৰগতিৰহে পৰিচায়ক।

"ৰাইজৰ একতাৰ বান্ধ" আৰু "ৰাইজৰ সেৱা"ৰ উল্লেখে দেশাত্মবোধ আৰু স্বজাতি-প্ৰেমৰ গুৰুত্ব বুজোৱাৰ উপৰিও কবি আৰু কাব্য দুয়োটিকে নতুন মৰ্য্যাদাৰ অধিকাৰী কৰিছে।

১৬—২৮। মাতৃ প্ৰেম প্ৰকাশৰ এনে সৰল নিদৰ্শন আৰু ভাষা-জননীৰ এনে সুবলা বন্দনা বিশ্ব-সাহিত্যত বিৰল।

৩২—৪০। অসমীয়া কবিৰ আত্মা আৰু ব্যক্তিত্ব অজৰ, অমৰ, আৰু অনন্ত কালৰ বাটৰ অনন্ত পথৰ যাত্ৰী। "সন্ধিয়াৰ আঁৰতে" কথা শাৰে সম্ভৱতঃ "কলিকাল" "শেহৰ যুগ" বা বৰ্তমান বিশ্বপ্ৰগতিৰ আশু পৰিণতি বুজাইছে। "পচোৱাৰ আঁৰতে হিলৈৰ মাত' অসম আৰু ভাৰত উভয়ৰে দাঁতিগড়ৰ আঁৰে আঁৰে বাজিব লাগিছে।

৪১—৪৮। অসমীয়াৰ বৰ্ত্তমান জাতীয় অধঃপতনৰ পাতনিৰ ৰূপক।

৪৯—৫০। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ আৰু শ্ৰীকণ্ঠ মাধৱৰ সৃষ্টি —অসমীয়া সংস্কৃতি, সভ্যতা ধৰ্ম্ম।

৬৩—৬৪। আজিও অসমৰ গাঁৱে গাঁৱে সত্ৰে সত্ৰে, নামঘৰে নামঘৰে এই চিত্ৰ।

৬৫—৬৬। শ শ গাঁৱত সাতামপুৰুষীয়া নামঘৰ আপদালৰ অভাৱত ভাগি ছিগি জহি খহি অন্ত হোৱা মহাপাতকৰ উল্লেখ কৰিবলৈ কবিয়ে টান পালে হ'বলা।

৬৯—৭০। তাহানি অসমীয়া গাঁৱৰ মানুহ "ৰাইজ উঠি" মুঠ বান্ধি মাছ-পহু মাৰিবলৈকো গৈছিল, আৰু ঈশ্বৰ, শিৱৰ, নামঘৰ আদিও সজা-বটা কৰিছিল। কিন্তু, আজি?

৮৫—৮৮। বেজবৰুৱাৰ "মোৰ জীৱন সোঁৱৰণ" উপজিছিল।
৯৯—১০০। "

১১৯। লক্ষ্মীনাথ পূৰ্ণিমাৰ জোনাকত লুইতৰ বালিত উপলব্ধি-ছিল।

১২৫—১২৭। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীকণ্ঠ মাধৱদেৱৰ অশৰীৰী আত্মা।

১৩৭—১৩৮। লক্ষ্মীনাথৰ সাহিত্যৰ "বাঁহী" আৰু "কাহ্নদী-খাসলি" লৰালি কালৰে অভিজ্ঞান।

১৪১। লক্ষ্মীনাথে সকলোতকৈ ভাৱনা বৰ ভাল পাইছিল।

১৫৭—১৫৮। তাহানিৰ বদন-পূৰ্ণানন্দৰ দিনৰেপৰা আজিলৈকে এই ৰৱমুৰীয়া ভেমেই অসমীয়াক নাশ কৰি আহিছে।

১৬৮। "মোৰ জীৱন সোঁৱৰণ" চাওক।

১৮১—১৮২। তাহানি শ্ৰীমন্ত শঙ্কৰদেৱে অসমত ধৰ্ম্ম আৰু কৰ্ম্ম প্ৰচাৰৰ পূৰ্ব্বে ভালেটি বছৰ ভাৰতৰ নানা ঠাইত পৰ্য্যটন কৰি শিক্ষা আৰু অমৰ অপৰিপূৰ্ণতা পূৰাইছিল।

১৯৫—১৯৬। লক্ষ্মীনাথে নিচেই সৰুৰেপৰা অসত্য, অনীতি আৰু অন্যায়ৰ বিৰুদ্ধে যুদ্ধ দিছিল।

১৯৮—২০০। ডাঙৰ চাকৰি হাততে পাইও তেওঁ নললে। কৌটি-টকীয়া কাঠৰ বেপাৰত লক্ষ্মীনাথ স্বৰ্গীয় অসমীয়া সাউদ ভোলানাথ (বি) বৰুৱাৰ ধৰ্ণা আৰু সো-হাত স্বৰূপ আছিল।

২০৫—২০৮। এই সূত্ৰতে লক্ষ্মীনাথে বঙ্গদেশৰ মহাকবি ৰবীন্দ্ৰনাথ ঠাকুৰক দিয়া সমিধানটিও মন কৰিব লগীয়া। "মোৰ জীৱন সোঁৱৰণ" চাওক।

২২১—২২২। লক্ষ্মীনাথে জীৱনৰ যাইছোৱা সম্বলপুৰৰ হাবিতলীত কটালে বুলিব পাৰি।

২২৭। অইৰাণ—অৰণ্য।

২৩৭—২৪০। নাগিনী গাভৰু=ডালিমী; "জয়মতী" নাটক চাওক।

২৪১—২৪২। "বেলিমাৰ"—নাটক।

২৪৫। সাধু কথাৰ পুথি।

২৪৯। 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'—অমূল্য পুথি।

২৫১। 'কাছুদী খাৰলি', মাহেকীয়া "বাঁহীৰ" বিশিষ্ট উপকৰণ।

২৫৫। "বাঁহী"ৰ বিশিষ্ট প্ৰবন্ধ ৰাজি।

২৬১। 'সুৰভি'—অনুপম 'গল্পৰ' পুথি। প্ৰথমা কন্যা 'সুৰভী''ৰ অকাল বিয়োগৰ স্মৃতি।

২৭১—২৭২। লক্ষ্মীনাথৰ তীক্ষ্ণ লেখনিৰ আঘাতত অসমত বিদেশী ভাষাৰ অভিযান ব্যৰ্থ হৈছিল।

২৭৭—২৭৮। হাওড়াত অনুষ্ঠান আৰু বৰোদা ৰাজ-সভাত বক্তৃতা।

৩০৭—৩০৮। "সহধৰ্ম্মী সহযোগী সহকৰ্ম্মী-সমনীয়া" শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা আৰু স্বৰ্গীয় "মাজিউ" চন্দ্ৰকুমাৰ আগৰৱালা।

৩০৯—৩১০। "মোৰ জীৱন সোঁৱৰণ". চাওক।

৩১৩—৩১৪। ঐ

৩২১—৩২৪। 'পোপ'ৰাজ্যৰ পঙ্কিলতা আৰু অন্ধকাৰৰপৰা অসমীয়াৰ নিৰ্ম্মল ভকতি ধৰ্ম্মক উদ্ধাৰ কৰণটো লক্ষ্মীনাথৰ জীৱনৰ সাধনা আছিল।

৩২৫ । এতিয়াও মৰা নাই যদিও অচিৰে মৰিব, লক্ষ্মীনাথে ইহঁতৰ কঁকালত ভালকৈয়ে কোব দি গল ।

৩৪১—৩৪৮ । শেষ বয়সত অসমত পোৱা আদৰ, অভ্যৰ্থনা আৰু অভিনন্দন আদি ।

৩৬১—৩৭২ । হাস্য আৰু বিদ্ৰূপ ৰসাত্মক কৃপাবৰ বৰবৰুৱাৰ ৰূপক ।

৩৮৯—৩৯২ । শেহত দেহাও পেলালে ডিবুৰুত, লুইতৰ পাৰত । বাঙ্গাও আছিল সেয়ে ।

৪০৩ । 'হাঁহিটি'—সদানন্দময়তা—optimism আৰু "বাঁহীটি" —সুন্দৰ আৰু সত্যৰ সাধনাই লক্ষ্মীনাথৰ জীৱনৰ সম্বল আছিল ।

৪০৫—৪০৮ । চমুতে, এয়েই আছিল লক্ষ্মীনাথৰ জীৱনৰ আদৰ্শ বা দৰ্শন ।

৪১৩—৪২০ । কালিদাস সেক্‌ছপীয়ৰ, বঙ্কিম, দ্বিজেন্দ্ৰলাল আদি এজনো দেখোন মৰা নাই । লক্ষ্মীনাথো ৰাইজে নেমাৰিলে মাৰ নেযায় । আনকি, দহজনে মন কৰিলে নমৰিও মাৰ যোৱা আৰু জনদিয়েকক জীয়াই জগাইও লব পাৰিহে ।

৪৪১—৪৫১ । লক্ষ্মীনাথৰ ৰচনা জাতীয়-সঙ্গীত, 'অ' মোৰ আপোনাৰ দেশ"ৰ নিভাজ অসমীয়া গঢ় ।

---

ডাঃ ডি, এন, শৰ্ম্মাৰ দ্বাৰা [ ৩, গোবিন্দ বোস লেন, ভৱানীপুৰ— কলিকতা ] আৱাহন আৰ্ট প্ৰিণ্টাৰ্ছত মুদ্ৰিত ।

**PLEASE HANDLE THE BOOK CAREFULLY**

মধুপুর ।
৮/১/৩৭

[illegible] খোকা

তোমার রচিত "[illegible]"
তারই পাঠ্য সাহেব আনন্দ,
এবং তোমার সাহায্য নিয়েছি ।
কবিতাটি সময়োপযোগী হয়েছে,
এবং ভাল হয়েছে । ইতি

শুভাকাঙ্ক্ষী

শ্রী[illegible]